জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৩৭২/২০২১**

# ১১০৫ গৰাকী প্ৰাক্তন এন ডি এফ বিৰ সদস্যৰ মাজত ৪ লাখ টকাকৈ ম্যাদি জমাৰ প্ৰমাণপত্ৰ বিতৰণ কৰিলে মুখ্যমন্ত্ৰীয়ে

# আত্মনিৰ্ভৰ অসমৰ লক্ষ্যত উপনীত হোৱাত সহযোগিতা আগবঢ়াবলৈ প্ৰাক্তন উগ্ৰপন্থী সদস্যসকললৈ মুখ্যমন্ত্ৰীৰ আহ্বান

**দিছপুৰ, ০৫ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি তামুলপুৰত আয়োজিত প্ৰাক্তন এন ডি এফ বি সদস্যসকললৈ পুনৰ সংস্থাপন পেকেজ আগবঢ়োৱাৰ বাবে আয়োজিত এক অনুষ্ঠানত ১১০৫ গৰাকী প্ৰাক্তন উগ্ৰপন্থী সদস্যলৈ ৪ লাখ টকাকৈ ম্যাদি জমাৰ প্ৰমাণপত্ৰ বিতৰণ কাৰ্যসূচীৰ আনুষ্ঠানিকভাৱে শুভাৰম্ভ কৰে। অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰে অসমৰ সৰ্বাংগীন উন্নয়নৰ বাবে এক বিস্তৃত পৰিকল্পনা যুগুত কৰি উলিয়াইছে আৰু এই ক্ষেত্ৰত হিংসা ত্যাগ কৰি মূল সুঁতিলৈ ঘূৰি অহা যুৱক-যুৱতীসকলৰ সেৱা কামত লগোৱাৰো পৰ্যাপ্ত ব্যৱস্থা হাতত লোৱা হৈছে। তেওঁ কয় যে ২০২০ চনৰ ২৭ জানুৱাৰীত স্বাক্ষৰিত বড়ো শান্তি চুক্তিৰ এক গুৰুত্বপূৰ্ণ উপাদান হিচাপে যুৱ চামক আৰ্থিকভাৱে শক্তিশালী কৰাৰ ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ পদক্ষেপ হিচাপে এই পুনৰ সংস্থাপন পেকেজ হাতত লোৱা হৈছে।

পুনৰ সংস্থাপন পেকেজৰ অধীনত ম্যাদি জমা হিচাপে লাভ কৰা আৰ্থিক অনুদানৰ ধনৰাশি উপযুক্ত ব্যৱহাৰৰ বাবে প্ৰাক্তন উগ্ৰপন্থী সদস্যসকললৈ আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে এই ধনৰাশি জীৱিকা সৃষ্টিকাৰী গঠনমূলক কামত ব্যৱহাৰ কৰিলেহে আত্মনিৰ্ভৰ অসমৰ লক্ষ্যত বৰঙনি যোগাবলৈ তেওঁলোক সমৰ্থ হ'ব। আজিৰ এই কাৰ্যসূচীত যিসকল সদস্য বাদ পৰি গৈছে তেওঁলোককো পেকেজৰ তৃতীয় পৰ্যায়ত সামৰি লোৱা হ'ব বুলি মুখ্যমন্ত্ৰীয়ে জানিবলৈ দিয়ে।

ঐতিহাসিক বড়ো শান্তি চুক্তিৰ জৰিয়তে অঞ্চলটোলৈ স্থায়ী শান্তিৰ পথ প্ৰশস্ত কৰি তোলাৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী, গৃহমন্ত্ৰী অমিত শ্বাহ আৰু বড়ো নেতৃবৰ্গক মুখ্যমন্ত্ৰীয়ে ধন্যবাদ আৰু কৃতজ্ঞতা জ্ঞাপন কৰে।

বডোফা উপেন্দ্ৰ নাথ ব্ৰহ্মলৈ গভীৰ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে বৰ্তমানৰ চৰকাৰখন বিটিআৰ অঞ্চলত বসবাস কৰা জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণৰ প্ৰতি দৃঢ় প্ৰতিজ্ঞ। তেওঁ লগতে কয় যে বড়ো ভাষা আৰু সংস্কৃতিৰ প্ৰসাৰৰ ক্ষেত্ৰত থকা চৰকাৰৰ দায়বদ্ধতাৰ চিন হিচাপে অসম লোকসেৱা আয়োগৰ পৰীক্ষাত বড়ো ভাষাত উত্তৰ লিখিবলৈ ইচ্ছা কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিছে।

# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

অসম আৰক্ষীৰ বিশেষ শাখাৰ অতিৰিক্ত সঞ্চালকপ্ৰধান হীৰেন নাথে আদৰণি ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী ইউ জি ব্ৰহ্ম, জলসিঞ্চন বিভাগৰ মন্ত্ৰী অশোক সিংহল, বিটিচি প্ৰধান প্ৰমোদ বড়ো, অসম আৰক্ষীৰ বিশেষ সঞ্চালকপ্ৰধান এল আৰ বিষ্ণয়, গৃহ বিভাগৰ প্ৰধান সচিব নীৰজ বাৰ্মাও উপস্থিত থাকে।

**সুঃদঃ / প্ৰঃকুঃবঃ**
**০৫-১২-২০২১**

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com
/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in